# আহোম যুগৰ হাট-বজাৰ

## লোহিত বৰা

শদিয়াৰ পৰা কৰতোৱালৈকে অসম দেশত ভৌগোলিক একতা স্থাপন কৰি বিভিন্ন জাতি-উপজাতি ঐক্যবদ্ধ কৰি আহোমসকলে শৃংখলাবদ্ধ শাসন কৰিছিল, প্ৰণালীবদ্ধভাৱে নগৰ-গাঁও স্থাপন কৰিছিল। তেওঁলোকৰ নগৰ পৰিকল্পনা অতি মনোৰম আছিল। প্ৰত্যেক নগৰতে ৰাজহাউলিৰ উপৰিও মন্দিৰ, পুখুৰী, আহল-বহল ৰাজপথ, হাট বা বজাৰ নিৰ্মাণ হৈছিল। বৰ্তমান অসমৰ ভালেমান নগৰ আহোম ৰজাৰ নগৰৰ ভেটিতে গঢ়ি উঠা। সেই নগৰবোৰৰ পৰাই মানুহৰ দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় হাট বা বজাৰ সম্প্ৰসাৰণ হয়।

আহোম শাসন ব্যৱস্থাত হাটৰ কৰ-কাটল সংগ্ৰহ কৰিবৰ বাবে এজন হাটখোৱা বিষয়া আছিল। বেচা-কিনা কৰা বস্তুবোৰ ভাল-বেয়া, ওজনৰ হীন-ডেঢ়ি, মূল্য নিৰ্ধাৰণ সম্পৰ্কে এই বিষয়াই তদাৰক কৰিছিল। সেই সময়ত চাউল-মাহ দোণ, পূৰা আদি জোখত বেচিছিল। হাঁহ কণী পোণ হিচাপত বিক্ৰী হৈছিল। আগৰ কাঠ সেৰ, পোৱা দৰত বেচা হৈছিল। সুমথিৰা টেঙা ভাৰ হিচাপত, গুৰ কলহত, গাখীৰ চুঙাত, হাঁহ-পাৰ যোৰ কৰি বেচিছিল। কিছুমান বস্তু গছপাতত টোপোলা কৰি বিক্ৰী কৰিছিল। প্ৰথমে সলনি আৰু কড়িৰ বিনিময়ত বেচা-কিনা হৈছিল। অসম বুৰঞ্জীত আছে "জয়ধ্বজ সিংহ স্বৰ্গদেৱে হেন্দুৱান আখৰে সিংহ পহুএ আঠচুকীয়াকৈ ৰূপৰ মোহৰ মাৰিলে। তেতিয়াৰ পৰাই ৰূপৰ মোহৰ চলিল।"

কীৰ্তিচন্দ্ৰ বৰবৰুৱাই ৰহালৈ গৈ ৰহাত হাট পাতিছিল। হাটখোৱা আছিল চকীয়াল বৰা কৃষ্ণ। হাটৰ সীমা আছিল পূবে গড়ৰচকী, পশ্চিমে গোগ, উত্তৰে ব্ৰহ্মপুত্ৰ আৰু দক্ষিণে যমুনামুখ। তাৰ ভিতৰত বেপাৰ কৰিছিল দাঁতিয়াল, চকীয়াল, ঢেঁকেৰী, বেবেজীয়া আদি ঠাইৰ লোকে।

প্ৰতাপসিংহৰ দিনত সোণাৰি মুদৈ, জয়হৰি মুদৈ আৰু নৰহৰি মুদৈয়ে নবাব আব্দুল, নবাব ইছলামৰ পৰা অনুমতি লৈ শ্ৰীসূৰ্যত বেহা-বেপাৰ কৰিছিলগৈ।

ৰুদ্ৰসিংহৰ ৰাজত্ব কালত ৰজাই বংগদেশৰ নবাব, পাঞ্জাবৰ ৰজা আৰু মধ্যভাৰতৰ ৰজাসকলৰ লগত পত্ৰৰে মিত্ৰতা কৰি সেইবোৰ দেশলৈ আহোম ৰাজ্যৰ পৰা হাতীদাঁত, গন্ধকলাই (কস্তুৰী), মেজাংকৰি, মুগা সূতা, মুগা কাপোৰ, এৰী কাপোৰ, মজাঠি আদি বস্তু পঠাই তাৰ সলনি হীৰা, পান্না, ডালিমা, মুক্তা আদি বস্তু অসমলৈ আনিছিল। তেতিয়া ভূটান আৰু এই দেশৰ মাজত বিস্তৰৰূপে আদান-প্ৰদান চলিছিল। ভূটান আৰু অসমৰ বাণিজ্য সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে চিমলীয়াবাৰী নামে ঠাইত এজন আহোম ৰজাৰ বিষয়া ৰখা হৈছিল। এই বজাৰত বছৰি এক লাখ টকাৰ আদান-প্ৰদান কৰা হৈছিল।

তিব্বতৰ ৰাজধানী লাছা নগৰৰ পৰা অসমৰ ফালে দুমাহৰ বাটত চৌনা (Chouna) নামে এডোখৰ ঠাইত তিব্বতীবিলাকৰ এখন হাট আছিল আৰু চৌনাৰ পৰা চাৰি মাইলমানৰ দূৰত অসমৰ ফাললৈ জিগনচুৰ (Geogunshur) নামে ঠাইত আহোম ৰজাৰ এখন বজাৰ আছিল। এই হাট দুখন বছৰেকত একে সময়তে দুমাহলৈ বহাৰ নিয়ম আছিল। জাৰকালি চৌনাহাটলৈ চীন আৰু তিব্বত দেশৰ বেপাৰীবোৰে কাঁহ, পিতল, তাম, লৱণ আদি লৈ আহে আৰু অসমৰ মুদৈ আৰু ৰজাৰ সঁজাতীবোৰেও চাউল, মুগা আৰু এৰী কাপোৰ, হাতীদাঁত, লো, লা, মজাঠি, কস্তুৰী আদি বস্তু লৈ জীগনচুৰ হাটত বহিছিলগৈ। এজন বিদেশী চাহাবৰ ৰিপৰ্ট মতে এই বাণিজ্যত এক লাখ টকাতকৈও বেছি টকাৰ আদান-প্ৰদান হৈছিল।

জে বি টেভেৰ্নিয়াৰৰ (J B Tavernier) মতে—"অসমৰ লা চীন আৰু জাপানলৈ ৰপ্তানি হৈছিল। চীনা আৰু জাপানীবোৰে পেৰা-পেটাৰি সজা কাৰ্যত এই লা ব্যৱহাৰ কৰিছিল তেনে কামৰ বাবে অসমৰ লা সৰ্বোৎকৃষ্ট আছিল।"

অসম আৰু বংগদেশৰ সীমাত হাদিৰা বা ফুলৰাত আহোম ৰজাৰ চকী আছিল। তাত এখন 'বঙাল হাট' নামে হাট বহিছিল। আহোম ৰজাৰ আমোলত বঙাল বেপাৰীবোৰে বেপাৰৰ বস্তু লৈ গোৱালপাৰাত থাকি তাৰ পৰা বঙাল হাটত বেপাৰ কৰিছিল। অসমৰ বেপাৰীয়েও বেপাৰৰ বস্তু লৈ বঙাল হাটত থাকি বাণিজ্য কৰিছিল। ছাৰ ফ্ৰেডেৰিক জেমছ হলিডে'ৰ মতে বংগদেশৰ পৰা অসমলৈ ১,৯২,০০০ টকাৰ মূল্যৰ সোণ, ১০,০০০ টকাৰ মখমল কাপোৰ লগতে মচুৰ মাহ, ৰহৰ মাহ আৰু ঘিউ আদি ২৬,৩০০ টকাৰ (মুঠ ২,২৮,৩০০ টকা মূল্যৰ সামগ্ৰী) আমদানি হৈছিল। অসমৰ পৰা ৫,৫০০ টকা মূল্যৰ লা, ১১,৩৫০ টকাৰ মুগা সূতা, ১৭,৫০০ টকাৰ মুগাকাপোৰ, ৫০০ টকাৰ মজাঠি, ৩০০ টকাৰ জলকীয়া, ৩৫,০০০ টকাৰ কাপোৰ, ৬,৫০০ টকাৰ হাতীদাঁত, ১৫০০ টকাৰ কাঁহৰ বাচন, ২০০০ টকাৰ সৰিয়হ, ১৮,৭৫০ টকাৰ ডলুৱা সোণ আৰু ৰূপ—মুঠতে ১,৫৯,০০০ টকাৰ বস্তু বংগদেশলৈ ৰপ্তানি হৈছিল। আহোম ৰজাৰ হাটখোৱা লোৱা বিষয়াজনে কৰ লৈ ৰাজভঁৰাললৈ পঠাইছিল।

১৮৩৯ চনত গড়গাঁও নগৰৰ ভিতৰত অসম কোম্পানিয়ে সদৰ অফিছ পাতোঁতে তাত এখন বজাৰ বহুৱাইছিল। সেই হাটত কোম্পানিৰ মানুহে চাহপাত বেহাইছিল আৰু আমাৰ মানুহে ধান, চাউল, শাক-পাচলি আদি খোৱাবস্তুৰে সেই চাহপাত সলাইছিল। ১৭৯৪ চনত প্ৰথম মাৰোৱাৰী দোকান অসমত বহে। মাৰোৱাৰৰ পৰা মাৰোৱাৰী আহি ভাটিৰ পৰা শদিয়ালৈকে সকলো বেপাৰ চলোৱা দেখি মণিৰাম দেৱানে ১৮৪৮ চনত শিৱসাগৰৰ অৰ্জুনগুৰিত হাট পতোৱাইছিল। গাঁৱৰ মানুহে নিজে উৎপাদন কৰা বস্তু সেই বজাৰলৈ আনিছিল। পৰ্বতৰ পৰা নগা লোক আহি সেই হাটত বেপাৰ কৰিছিল। শনিবাৰে শনিবাৰে বহা বজাৰখনত চেনিমৰা আৰু চেংলুঙৰ চাহপাত বিক্ৰী হৈছিল।

১৮৪৭ চনৰ ছেপ্টেম্বৰ সংখ্যাৰ 'অৰুনোদই'ত লিখিছে—"নগাঁৰৰ মিকিৰ পাৰে চোটকন্দলি মৌজাত বৰবাপা নামে এজন বৰুৱাই পাঁচ পূৰামান মাটি এডোখৰত এক হাট নিৰূপণ কৰাইছে। তাতে মাহ, গুৰ, গাখীৰ, শুকান মাছ, মঙহ, শাক-পাচলি, কানি, ফটিকা আদি কৰি সকলো বস্তু পায়। ডেৰহেজাৰমান মানুহ হাটত গোট খায়। বজাৰখন সোমবাৰে আৰু শুক্ৰবাৰে বহিছিল।"

মানুহৰ দৈনন্দিন জীৱনত লগ নেৰা কামটোৰেই হৈছে বজাৰ। কিনা আৰু বেচা দুয়োটাকে মানুহৰ প্ৰয়োজন। এতিয়া আগৰ দিনৰ দৰে বজাৰলৈ দুই-তিনিদিন খোজকাঢ়ি যাব নালাগে। এই আধুনিক যুগত ঘৰৰ কাষতে দৈনিক বজাৰ বহিবলৈ ধৰিলে বা ইণ্টাৰনেটৰ যুগত ঘৰতে আহি বস্তু পোৱাৰ ব্যৱস্থা হ'ল। তৎসত্বেও অসমৰ বজাৰ ব্যৱস্থাত আহোম ৰজাৰ দিনৰ প্ৰভাৱ এতিয়াও আছে। অসমৰ বিভিন্ন ঠাইত বহা সাপ্তাহিক হাটবোৰে পুৰণি দিনৰ পৰম্পৰাকে বহন কৰি আহিছে।

**তথ্যসূত্ৰ ঃ**

১। 'আহোম যুগ'—বিৰিঞ্চি কুমাৰ বৰুৱা।

২। 'আহোম জাতি'—হিতেশ্বৰ বৰবৰুৱা।

৩। 'মহাৰাজ ৰুদ্ৰসিংহ'—হেমচন্দ্ৰ গোহাঞি।

৪। 'মণিৰাম দেৱান'—বেণুধৰ শৰ্মা।

৫। 'অৰুনোদই'—১৮৪৭।

ঠিকনা ঃ গাঁও আৰু ডাক ঃ টেকেলা গাঁও, যোৰহাট-৭৮৫৬১৬, ফোন ঃ ৯৮৬৪৫৮৬৫২৪